জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১০০/২০২২**

# ৰাষ্ট্ৰীয় ফেডাৰেচন কাপ এথলেটিকছত স্বৰ্ণ পদক অৰ্জন কৰা হিমা দাস আৰু অম্লান বৰগোহাঁইলৈ মুখ্যমন্ত্ৰীৰ অভিনন্দন

**দিছপুৰ, ৬ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেৰালাত অনুষ্ঠিত ৰাষ্ট্ৰীয় ফেডাৰেচন কাপ এথলেটিকছত মহিলা আৰু পুৰুষৰ ২০০ মিটাৰ দৌৰত স্বৰ্ণ পদক অৰ্জন কৰা ৰাজ্যৰ ক্ৰীড়াবিদদ্বয় ক্ৰমে হিমা দাস আৰু অম্লান বৰগোহাঁইলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখ্য যে মহিলাৰ ২০০ মিটাৰ দৌৰত হিমা দাসে ২৩.৬৩ ছেকেণ্ডেৰে স্বৰ্ণ পদক লাভ কৰিছে। আনহাতে পুৰুষৰ ২০০ মিটাৰ দৌৰত ২০.৫২ ছেকেণ্ডত স্বৰ্ণ পদক অৰ্জন কৰি অম্লান বৰগোহাঁইয়ে ৰাষ্ট্ৰীয় অভিলেখ গঢ়িবলৈ সক্ষম হৈছে।

আজি এক শুভেচ্ছাবাৰ্তাযোগে মুখ্যমন্ত্ৰীয়ে কয় যে খেলুৱৈ দুগৰাকীৰ এই প্ৰদৰ্শনক লৈ সমগ্ৰ অসমবাসী গৌৰৱান্বিত। তেওঁ লগতে ক্ৰীড়াবিদ দুগৰাকীয়ে অনাগত দিনতো সফলতাৰ ধাৰা অব্যাহত ৰাখিব বুলি আশা প্ৰকাশ কৰি তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে।

**নিঃকুঃদাঃ**
**৬-০৪-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in